জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩২৫/২০২২**

**গুৱাহাটী মহানগৰীৰ ৫ খন শিক্ষানুষ্ঠান পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ**

## প্ৰায় ৫ হাজাৰ কোটি টকা ব্যয়ৰে ৰাজ্যৰ এহাজাৰখন শিক্ষানুষ্ঠানক নতুন দিনৰ শিক্ষানুষ্ঠানলৈ ৰূপান্তৰৰ পদক্ষেপ

# এটা দশকৰ ভিতৰত ৰাজ্যৰ প্ৰায় ৪ হাজাৰ বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নীত কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ অক্টোবৰ ঃ** ৰাজ্যৰ শিক্ষাখণ্ডক এক নতুন মাত্ৰা প্ৰদানৰ উদ্দেশ্যৰে ৰাজ্য চৰকাৰে প্ৰায় ৫ হাজাৰ কোটি টকা ব্যয়ৰে সমগ্ৰ ৰাজ্যৰ এহাজাৰখন শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনিকে ধৰি শৈক্ষিক খণ্ডৰ বিকাশ সাধনৰ পদক্ষেপ গ্ৰহণ কৰিছে। আজি এই পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ মহানগৰীৰ ৫ খনকৈ শিক্ষানুষ্ঠান পৰিদৰ্শন কৰি আন্তঃগাঁথনিকে ধৰি বিভিন্ন দিশৰ বুজ লয়।

মুখ্যমন্ত্ৰীয়ে আজি প্ৰথমে ভৰলুমুখস্থিত সোণাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়, তাৰ পিছত কটন কলেজিয়েট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কামৰূপ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰে। উল্লেখ্য যে এই কামৰূপ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই শৈশৱত শিক্ষা গ্ৰহণ কৰিছিল। ইয়াৰ পিছত তেওঁ তাৰিণী চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয় আৰু শেষত গণেশগুৰিস্থিত গোপাল বড়ো চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে এই প্ৰতিখন বিদ্যালয়ৰে সমগ্ৰ চৌহদ আৰু ভৱনসমূহ পৰিদৰ্শন কৰি সেই শিক্ষানুষ্ঠান কেইখনৰ আন্তঃগাঁথনিৰ বৰ্তমানৰ অৱস্থা আদিকে ধৰি বিভিন্ন দিশৰ বুজ লয়। তেওঁ লগতে এই প্ৰতিখন শিক্ষানুষ্ঠানতে পৰ্যাপ্ত মুকলি ঠাই ৰাখি প্ৰেক্ষাগৃহ, নতুন শ্ৰেণীকোঠা আদি সন্নিৱিষ্ট কৰি নতুন আন্তঃগাঁথনি নিৰ্মাণৰ নক্সা প্ৰস্তুত কৰিবলৈ লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে।

বিদ্যালয়সমূহ পৰিদৰ্শনৰ পিছত মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদ মাধ্যমৰ আগত সদৰি কৰে যে ৰাজ্য চৰকাৰে গুৱাহাটীকে ধৰি সমগ্ৰ অসমৰ এহাজাৰখন মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ক নতুন দিনৰ শিক্ষানুষ্ঠানলৈ ৰূপান্তৰ কৰাৰ পদক্ষেপ লৈছে। উন্নত আন্তঃগাঁথনিৰে সমৃদ্ধ হ'বলগীয়া এনে প্ৰতিখন বিদ্যালয়ত পৰ্যাপ্ত শ্ৰেণীকোঠা, খেলপথাৰসহ সকলো সা-সুবিধা থাকিব। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে এই শিক্ষানুষ্ঠানসমূহৰ শ্ৰেণীকোঠাসমূহ একেটা স্থানতে নিৰ্মাণ কৰি শিক্ষানুষ্ঠানসমূহৰ চৌহদত মুকলি ঠাইৰ পৰিসৰ বৃদ্ধি কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। অৱশ্যে কোনো শিক্ষানুষ্ঠানৰ যদি ১০০ বছৰৰ অধিক পুৰণি ভৱন আছে আৰু বিদ্যালয় কৰ্তৃপক্ষই যদি তেনে ভৱন সংৰক্ষণ কৰিব বিচাৰে তেন্তে সেই ক্ষেত্ৰত চৰকাৰে সহায় কৰিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে ৰাজ্য চৰকাৰে প্ৰথম পৰ্যায়ত পৰীক্ষামূলকভাৱে গুৱাহাটী মহানগৰী আৰু ইয়াৰ দাঁতিকাষৰীয়া স্থানৰ ১০ খন বিদ্যালয়ৰ আন্তঃগাঁথনি

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

উন্নীত কৰাৰ পৰিকল্পনা লৈছে। এই শিক্ষানুষ্ঠানকেইখনৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠাৰ পিছত ৰাজ্যখনৰ প্ৰতিটো বিধানসভা সমষ্টিৰ ৮-৯ খনকৈ বিদ্যালয় এই পদক্ষেপত অন্তৰ্ভূক্ত কৰি সৰ্বমুঠ এহাজাৰখন শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি উন্নয়নৰ কাম হাতত লোৱা হ'ব। ২০২৬ চনৰ আগেয়ে এই এহাজাৰখন বিদ্যালয়ৰ নিৰ্মাণৰ কাম শেষ হ'ব নতুবা আৰম্ভ হ'ব বুলি সদৰি কৰি তেওঁ কয় যে পৰৱৰ্তী ৫ বছৰত চৰকাৰে পুনৰ ২ হাজাৰখন শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি অনুৰূপ ধৰণে উন্নীত কৰাৰ পৰিকল্পনা লৈছে। এইদৰে এটা দশকৰ ভিতৰত ৰাজ্যত থকা এনে প্ৰায় ৪ হাজাৰ বিদ্যালয়ৰ প্ৰতিখনৰে আন্তঃগাঁথনি উন্নীত কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে এই এহাজাৰখন বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নীতকৰণত প্ৰায় ৫ হাজাৰ কোটি টকা ব্যয় হ'ব আৰু আগন্তুক ৩-৪ বছৰত এইটোৱে হ'ব ৰাজ্য চৰকাৰৰ অন্যতম প্ৰধান কাৰ্যসূচী।

মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শন কালত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, ৰাজ্য চৰকাৰৰ শিক্ষা উপদেষ্টা ড° ননীগোপাল মহন্ত, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা, বিদ্যালয় শিক্ষা বিভাগৰ সচিব বিজয়া চৌধুৰী, সমগ্ৰ শিক্ষা অভিযানৰ মিছন সঞ্চালক ওম প্ৰকাশৰ উপৰি শিক্ষা বিভাগ তথা লোকনিৰ্মাণ বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**৩০/১০/২০২২**